**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000
Date : 12-07-2025 **Time :** 1715Hrs.

## **Assamese Evening Bulletin**

०००००

ৰাজ্যত ২০১৯ চনৰ পৰা ২০২৪ চনৰ ভিতৰত মাছৰ উৎপাদন দুগুণলৈ বৃদ্ধি পাই ৪ লাখ ৯৯ হাজাৰ মেট্ৰিক টন হৈছে আৰু ৰাজ্যখনৰ সম্প্ৰতি দেশৰ চতুৰ্থ সৰ্ববৃহৎ মৎস্য উৎপাদকাৰী হিচাপে পৰিগণিত হৈছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি সোণাপুৰৰ বগীবাৰীত আগশাৰী স্বেচ্ছাসেৱী সংস্থা কলং-কপিলীৰ সহযোগিতাত দেশৰ প্ৰথমখন জল প্ৰযুক্তি উদ্যান বা একুৱাটেক পাৰ্ক মুকলি কৰি এই বিষয়ে প্ৰকাশ কৰে। তেওঁ কয় যে অসমে সকলো ক্ষেত্ৰত দেশৰ শীৰ্ষ পাঁচখন ৰাজ্যৰ ভিতৰত স্থান লাভ কৰিবলৈ সমৰ্থ হ'ব। ড০ শৰ্মাই কয় যে একুৱাটেক পাৰ্কখনে ৰাজ্যত পাছৰ উৎপাদন বৃদ্ধিত অৰিহনা যোগাব আৰু যুৱক-যুৱতীসকলৰ বাবে আয়ৰ অপাৰ সুযোগ প্ৰদান কৰিব। উদ্যানখন মীন পালন খণ্ডৰ বিকাশৰ আৰ্হিৰূপে পৰিগণিত হ'ব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে। তেওঁ কয় যে দ্বৈত ইঞ্জিনযুক্ত চৰকাৰখনে প্ৰধানমন্ত্ৰী মৎস্য সম্পদা যোজনাৰ দৰে আঁচনিৰ জৰিয়তে ৰাজ্যত মীন পালন খণ্ডৰ বিকাশৰ বাবে ভালেমান পদক্ষেপ লৈছে। তেওঁ লগতে কয় যে চৰকাৰে ৰাজ্যৰ মীন পালন খণ্ডক পুনৰুজ্জীৱিত কৰি তোলাই নহয়, বৰং ৰাষ্ট্ৰীয় পৰ্যায়ৰ প্ৰতিযোগিতাতো ফেৰ মাৰিব পৰা কৰি তুলিছে। আজি মুকলি কৰা উদ্যানখনৰ জৰিয়তে একুৱাপনিক্স, বায়'ফ্লক, মাছৰ আধুনিক খাদ্য উৎপাদন, আলংকাৰিক মাছৰ প্ৰজনন আদিৰ দৰে প্ৰযুক্তিসমূহৰ ব্যৱহাৰ প্ৰদৰ্শিত হ'ব।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ভাৰ্চুৱেল ব্যৱস্থাৰে দেশৰ ৫১ হাজাৰৰো অধিক যুৱক-যুৱতীক নিযুক্তিপত্ৰ বিতৰণ কৰে। এই উপলক্ষে দিয়া ভাষণত শ্ৰীমোদীয়ে নিযুক্তি মেলাই যুৱ প্ৰজন্মৰ সৱলীকৰণ আৰু তেওঁলোকক বিকশিত ভাৰত গঢ়াৰ প্ৰক্ৰিয়াৰ অনুঘটক কৰি তোলাৰ প্ৰতি চৰকাৰৰ প্ৰতিশ্ৰুতিবদ্ধতাক সূচাইছে বুলি মন্তব্য কৰে। তেওঁ কয়, যে ৰাজহুৱা আৰু ব্যক্তিগত খণ্ডত কৰ্মসংস্থাপন সৃষ্টিৰ ওপৰত চৰকাৰে গুৰুত্ব আৰোপ কৰাৰ বাবে বিগত এঘাৰ বছৰত দেশখনে প্ৰতিটো ক্ষেত্ৰতে অগ্ৰগতি লাভ কৰিছে। দৰিদ্ৰ লোকৰ বাবে ৪ কোটিৰো অধিক আৱাস গৃহ নিৰ্মাণ, ১০ কোটিৰো অধিক ৰন্ধন গেছৰ নতুন সংযোগ আৰু ছাদৰ ওপৰত সৌৰ প্ৰকল্পকে ধৰি বিভিন্ন কাৰ্যসূচীৰে লাখ লাখ কৰ্মসংস্থাপনৰ সুযোগ সৃষ্টি হৈছে বুলি শ্ৰীমোদীয়ে প্ৰকাশ কৰে। এই কাৰ্যসূচীৰ অধীনত এতিয়ালৈ ১০ লাখৰো অধিক নিযুক্তিপত্ৰ বিতৰণ কৰা হৈছে বুলি প্ৰধানমন্ত্ৰীয়ে জানিবলৈ দিয়ে।

নতুনকৈ নিযুক্তি লাভ কৰা প্ৰাৰ্থীসকলক অভিনন্দন জনাই শ্ৰীমোদীয়ে কয়, যে চৰকাৰৰ নিযুক্তি মেলা উদ্যমৰ জৰিয়তে লাখ লাখ যুৱক-যুৱতীয়ে ইতিমধ্যে কেন্দ্ৰীয় চৰকাৰৰ অধীনত স্থায়ী নিযুক্তি লাভ কৰিবলৈ

সমৰ্থ হৈছে। তেওঁ কয় যে এই যুৱক-যুৱতীসকলে সম্প্ৰতি ৰাষ্ট্ৰ গঠন প্ৰক্ৰিয়াত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিবলৈ লৈছে।

নিযুক্তি পত্ৰ বিতৰণ অনুষ্ঠানৰ অংশ  হিচাপে আজি অসমসহ দেশৰ ৪৭টা স্থানত আজি নিযুক্তি মেলাৰ আয়োজন কৰা হয়।  গুৱাহাটী মহানগৰীৰ মালিগাওঁৰ ৰং ভৱনত কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে ২৩৩ গৰাকী নৱ নিযুক্তক নিযুক্তি পত্ৰ বিতৰণ অনুষ্ঠানত উপস্থিত থাকে। এই উপলক্ষে দিয়া ভাষণত শ্ৰীসোণোৱালে কয় যে দেশৰ নেতা সৎ, ককঠোৰ আৰু পৰিশ্ৰমী হোৱাৰ লগতে জনগণৰ কল্যানৰ বাবে নিষ্ঠাৰে কাম কৰিলে সফলতা সম্ভৱ হৈ উঠে। বিগত এঘাৰ বছৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত  ভাৰত বিশ্বৰ ভিতৰত অন্যতম শক্তিশালী ৰাষ্ট্ৰ  হিচাপে পৰিগণিত হৈছে বুলি তেওঁ উল্লেখ কৰে। নিযুক্তি লাভ কৰা প্ৰাৰ্থীসকলে ৰে'ল মন্ত্ৰালয়, গৃহ পৰিক্ৰমা, কৰ্মচাৰী আৰু ওজৰ-আপত্তি নিষ্পত্তি আৰু পেঞ্চন, শ্ৰম আৰু নিয়োগ মন্ত্ৰালয়, ৰাজহ বিভাগ, ডাক বিভাগ আৰু উচ্চ শিক্ষা বিভাগকে ধৰি বিভিন্ন মন্ত্ৰালয়ে এই বিভাগত যোগদান কৰিব।

০০০০০০

গোৱালপাৰা জিলাৰ কৃষ্ণাইৰ পাইকান সংৰক্ষিত বনাঞ্চলত আজি বন বিভাগ আৰু প্ৰশাসনে বিদ্যাপাৰা, আশুডুবি আৰু বেতবাৰীত উচ্ছেদ অভিযান চলাই প্ৰায় এহেজাৰ বিঘা ভূমি দখলমুক্ত কৰে আৰু এহেজাৰ ৭০০টা পৰিয়ালক উচ্ছেদ কৰে। প্ৰশাসনে জিলাখনৰ মুঠ ১৩৮ হেক্টৰ ভূমিত উচ্ছেদ অভিযান চলাব বুলি জানিব পৰা গৈছে। উচ্ছেদ অভিযানৰ সময়ত যাতে কোনো ধৰণৰ বিশৃংখল পৰিস্থিতিৰ উদ্ভৱ নহয়, তাৰ বাবে অঞ্চলটোত ভালেসংখ্যক বনকৰ্মী নিয়োগ কৰা হৈছে।

০০০০০০

াক্সা জিলাৰ শালবাৰীত আজিৰে পৰা মানাহ বিধানসভা সমষ্টি ভিত্তিক গ্ৰীষ্মকালীন কৰ্মশালা অনুষ্ঠিত হৈছে। শালবাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ কৃষ্ণণ বসুমতাৰীয়ে এই কৰ্মশালা উদ্বোধন কৰে। ৰাজ্য চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত আৰু বাক্সা জিলা প্ৰশাসনৰ সহযোগত আয়োজিত কৰ্মশালাত লোকনৃত্য, সৃজনীশীল নৃত্য-গীত, যোগাসন আৰু কবিতা আবৃত্তিৰ প্ৰশিক্ষণ প্ৰদান কৰা হ'ব। আজি উদ্বোধনী অনুষ্ঠানত শালবাৰী অঞ্চলৰ কমেও ৬৫ গৰাকী ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে। ২৬ জুলাইত কৰ্মশালাৰ সামৰণি পৰিব।

০০০০০০

চিৰাং জিলাৰ সদৰ কাজলগাঁৱত আজি জিলা বড়ো সাহিত্য সভাৰ স্থায়ী কাৰ্যালয়ৰ আধাৰশিলা স্থাপন কৰা হয়। বিটিচিৰ মুৰববী প্ৰমোদ বড়োৰে কাৰ্যালয় গৃহটোৰ আধাৰশিলা স্থাপন কৰে।  মুখ্যমন্ত্ৰীয়ে কৰা ঘোষণা অনুসৰি ৰাজ্য চৰকাৰৰ ৫০ লাখ টকা ব্যয় সাপেক্ষে নিৰ্মাণ হ'বলগীয়া বড়ো সাহিত্য সভাৰ এই কাৰ্যালয়ে জনগোষ্ঠীটোৰ সাহিত্য-সংস্কৃতিৰ উন্নয়নত সহায়ক হ'ব বুলি শ্ৰীবড়োয়ে আশা প্ৰকাশ কৰে। আজি গোসাইগাওঁ, চিৰাং আৰু বিজনীত এই কাৰ্যালয়ৰ আধাৰশিলা স্থাপন কৰা হয়। কোকৰাঝাৰ জিলা সাহিত্য সভা আৰু গুৱাহাটীস্থিত কেন্দ্ৰীয় বড়ো সাহিত্য সভাৰ কাৰ্যালয় নিৰ্মাণৰ বাবেও আঢ়ৈ কোটি টকাৰ আৰ্থিক অনুদান দিয়াৰ বিষয়ে  শ্ৰীবড়োৰে সংবাদ মাধ্যমক জানিবলৈ দিয়ে।

০০০০০০

**সমাপ্ত**